# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 23-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
*:::::::::::::::::::::::::::::::*

জম্মু-কাশ্মীৰৰ পহলগামৰ পৰ্যটকৰ বিচৰণস্থলী বেইচ্‌ৰণত কালি সন্ত্ৰাসবাদীৰ আক্ৰমণত ২৬গৰাকী পৰ্যটক নিহত হোৱা ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত নতুন দিল্লীৰ প্ৰধানমন্ত্ৰী বাসভৱনত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই ঘটনাৰ তদন্ত কৰা ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা - এন আই এয়ে ইতিমধ্যে পহলগাম আক্ৰমণৰ সৈতে জড়িত তিনিজন পাকিস্তানী সন্ত্ৰাসবাদী - আছিফ ফৌজী ওৰফে মুছা, চুলেমান শ্বাহ ওৰফে ইউনুছ আৰু আবু তালহা ওৰফে আছিফৰ ৰেখাচিত্ৰ প্ৰকাশ কৰিছে। ইপিনে, এই সন্ত্ৰাসবাদী দলটোৰ বিৰুদ্ধে সেনাবাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ যুটীয়া দলে নিঃশ্চিদ্ৰ অভিযান চলাই আছে। এই অভিযান সেনাবাহিনীৰ নৰ্ডাৰ্ণ কমাণ্ডৰ জি অ' চি লেফটেনেণ্ট জেনেৰেল এম বি সুচেন্দ্ৰ কুমাৰে তদাৰক কৰি আছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পহলগাম আক্ৰমণৰ সৈতে প্ৰত্যক্ষভাৱে জগৰীয়াসকলৰ বিৰুদ্ধেই নহয়, ইয়াৰ আঁৰত থাকি কাম কৰাসকলৰ বিৰুদ্ধেও ভাৰতে শীঘ্ৰেই নিৰ্ণায়ক ব্যৱস্থা গ্ৰহণ কৰিব বুলি ঘোষণা কৰিছে।

গৃহমন্ত্ৰী অমিত শ্বাহে নিৰীহ লোকৰ প্ৰাণ কাঢ়ি লোৱা সন্ত্ৰাসবাদীসকলক কোনো কাৰণতে ৰেহাই দিয়া ন'হব আৰু ভাৰতে সন্ত্ৰাসবাদীৰ ওচৰত শিৰনত নকৰে বুলি দৃঢ়তাৰে উল্লেখ কৰে। তেওঁ কয়, যে এই কাপুৰুষালিভৰা আক্ৰমণৰ সৈতে জড়িতসকলক ৰেহাই দিয়া নহ'ব। ঘটনাত নিহতসকলৰ ভিতৰত বায়ুসেনা বাহিনীৰ কৰ্পোৰেল অৰুণাচল প্ৰদেশৰ টাগে হাইলিয়াঙো আছে। বেইচৰণ উপত্যকা ভ্ৰমণৰ বাবে যোৱা শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ অধাপক দেৱাশীষ ভট্টাচাৰ্যৰ পৰিয়ালটো কথমপি সন্ত্ৰাসবাদীৰ আক্ৰমণৰ পৰা প্ৰাণ ৰক্ষা পৰে।

ooooo

সমাগত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে চৰাইদেউ জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। জিলাখনৰ সোণাৰীৰ সমষ্টিৰ বাবে নিয়োজিত সাধাৰণ পৰ্যবেক্ষক আৰু জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া তথা নিৰ্বাচন ব্যয় পৰ্যবেক্ষণ কোষৰ বিষয়াৰ উপস্থিতিত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত নিৰ্বাচনী ব্যয় সম্পৰ্কীয় এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত নিৰ্বাচন আয়োগ আৰু অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ নীতি নিৰ্দেশনাসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। উল্লেখযোগ্য যে, পঞ্চায়ত নিৰ্বাচনৰ নিৰ্বাচনী ব্যয়ৰ ক্ষেত্ৰত ধাৰ্য্য কৰা উৰ্ধতম সীমা জিলা পৰিষদৰ সদস্য পদৰ বাবে একোগৰাকী প্ৰাৰ্থীৰ ক্ষেত্ৰত ১০ লাখ টকা, আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে আঢ়ৈ লাখ টকা আৰু গাওঁ পঞ্চায়তৰ সদস্য পদৰ বাবে ২৫ হাজাৰ টকা ধাৰ্য্য কৰা হৈছে। বৈঠকত প্ৰাৰ্থীসকলক ইতিমধ্যে প্ৰদান কৰা নিৰ্বাচনী ব্যয় পঞ্জীয়ন পুস্তিকাত নিয়মিতভাৱে আৰু সঠিকভাৱে নিৰ্বাচনী ব্যয়ৰ হিচাপসমূহ অন্তৰ্ভুক্ত কৰিবলৈ কোৱা হৈছে। সময়ে সময়ে এই নিৰ্বাচনী ব্যয় পুস্তিকাসমূহ  সাধাৰণ পৰ্যবেক্ষক তথা নিৰ্বাচনী ব্যয় পৰ্যবেক্ষকৰ তত্বাৱধানত নিৰ্বাচনী ব্যয় পৰ্যবেক্ষণ কোষৰ দ্বাৰা পৰীক্ষা কৰা হব।

ooooo

কোনো এবিধ সামগ্ৰী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়। যদিহে এই উৎপাদনকাৰী বা উদ্যোগীগৰাকী অসমৰ থলুৱা উদ্যোগী হয় তেনেহ'লে তেওঁ অধিক সংগ্ৰাম কৰিব লাগে। এনে কেইগৰাকীমান উদ্যোগীক লৈয়েই অহা ২৬ এপ্ৰিল শনিবাৰে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসমৰ তিনিগৰাকী নতুন উদ্যমীয়ে তেওঁলোকৰ সফলতাৰ কাহিনী ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ গণিতৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনা সন্দৰ্ভত জড়িত থকাৰ অভিযোগত ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অধ্যক্ষ চামচুদ্দিন আহমেদক আজি চাকৰিৰ পৰা নিলম্বন কৰে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ পৰা লাভ কৰা প্ৰতিবেদনৰ আধাৰত মাধ্যমিক শিক্ষা সঞ্চালকে অধ্যক্ষগৰাকীক নিলম্বন কৰে। অধ্যক্ষগৰাকীৰ বিৰুদ্ধে বিভাগীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দিপিকা চৌধুৰীক বিদ্যালয়খনৰ অস্থায়ীভাৱে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব দিয়া হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে- মুম্বাই ইণ্ডিয়ানছক জয়ৰ বাবে ১৪৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। মুম্বাই ইণ্ডিয়ানছে টছত জিকি ছানৰাইজাৰ্ছ হায়দৰাবাদক প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৪৩  ৰাণ সংগ্ৰহ কৰে।

ooooo

মন্ত্ৰীসভাই অসমীয়া ভাষাক ৰাজ্যভাষা হিচাপে প্ৰয়োগ কৰাৰ সিদ্ধান্ত গ্ৰহণৰ পাছত উচ্চ শিক্ষা বিভাগে অসমীয়া ভাষাত প্ৰথমখন বিজ্ঞপ্তি প্ৰকাশ কৰিছে। ৰাজ্যৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ স্নাতক শ্ৰেণীত নামভৰ্তিৰ বাবে কালি সমৰ্থ প'ৰ্টেলৰ মাধ্যমেৰে মানবিশিষ্ট কাৰ্য পৰিচালনা বিধি প্ৰকাশ কৰা হৈছে। এই প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত এটা সহায়ক আৰু সমন্বয় কেন্দ্ৰ স্থাপন কৰা হৈছে।

ooooo

অইল ইণ্ডিয়া লিমিটেডৰ কৰ্পৰেট সামাজিক দায়বদ্ধতা আঁচনিৰ দ্বাৰা পৰিচালিত আৰ্থিকভাৱে দুৰ্বল মেধাৱী শিক্ষাৰ্থীসকলক অইল প্ৰজ্ঞান ছুপাৰ-থাৰ্টিৰ জৰিয়তে অভিযান্ত্ৰিক সংযুক্ত প্ৰৱেশ পৰীক্ষা চমুকৈ JEE আৰু চিকিৎসা মহাবিদ্যালয়ৰ প্ৰৱেশৰ নামভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা চমুকৈ NEET-ৰ বাবে বিনামূলীয়া আৱাসিক শিক্ষা প্ৰদান কৰি আহিছে। চলিত বৰ্ষত ডিব্ৰুগড় কেন্দ্ৰটোৰ পৰা JEE-ত অৱতীৰ্ণ হোৱা ৩০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ২৮ গৰাকীয়ে উত্তীৰ্ণ হৈ কেন্দ্ৰটোৱে সুনাম কঢ়িয়াই আনিছে। এইবাৰ সফলতা লাভ কৰা আটাইকেইগৰাকী শিক্ষাৰ্থীক ডিব্ৰুগড়ত শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে প্ৰজ্ঞান ছুপাৰ-থাৰ্টিৰ জৰিয়তে ৰাজ্য তথা দেশৰ কেইবাটাও কেন্দ্ৰত অইল ইণ্ডিয়া লিমিটেডে বিনামূলীয়া শিক্ষা দি আহিছে।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ